THE DAINIK ASAM
GUWAHATI MONDAY 27TH APRIL, 2015

## বন্ধ কোঠাত আহোম ইতিহাসৰ বহু অলিখিত তথ্য-সম্বল !

# তলাতল ঘৰত পুৰাতত্ত্ব বিভাগৰ খনন

নিজা বাতৰি দিওঁতা

**শিৱসাগৰ, ২৭ এপ্রিল ঃ** ইতিহাসৰ পাত সলনি কৰাৰ প্রচেষ্টাৰে কেন্দ্রীয় পুৰাতত্ত্ব বিভাগে আহোমৰ ছশ বছৰীয়া ৰাজত্ব কালৰ অপূর্ব স্থাপত্য সাতমহলীয়া তলাতল ঘৰৰ ভিতৰৰ এটা কোঠাৰ বন্ধ হৈ থকা প্রৱেশ পথ মুকলিৰ বাবে কালিৰেপৰা খনন কার্য চলাইছে। ভাৰতীয় পুৰাতত্ত্ব সর্বেক্ষণৰ গুৱাহাটী মণ্ডলে এই খনন কার্য আৰম্ভ কৰিছে। কালি এই খনন কার্য প্রায় দুই মিটাৰ পর্যন্ত চলিছে, য'ত উদ্ধাৰ হৈছে এখন বন্ধ দুৱাৰ। আহোম শাসনৰ ইতিহাসৰ বেলি মাৰ যোৱাৰ পিছৰেপৰা এই দুৱাৰখন বন্ধ হৈ আছিল। এই খননত নির্গত হৈছে গেছ। দুৱাৰসমূহ চাপৰ হোৱাৰ বাবে কালি খনন কার্যত জড়িত পাঁচজনীয়া শ্রমিকৰ দলটোৱে বিশেষ অগ্রগতি লাভ কৰা নাই যদিও দুৱাৰৰ সন্ধানত যি খনন কার্য আৰম্ভ হৈছে সি অসমীয়া জাতিৰ বাবে অলিখিত বুৰঞ্জী অধ্যায়ৰ পাত হ'ব বুলি বহুজনে মন্তব্য কৰিছে। শিৱসাগৰৰ বুৰঞ্জীবিদসকলে এই খননকার্যক আদৰণি জনোৱাৰ লগতে উৎসুকতাও প্রকাশ কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে যোৱা দুটা শতিকাৰো অধিককাল ধৰি ঐতিহাসিক তলাতল ঘৰটোৰ তলত আৰু তিনিটা মহলা থকা বুলি জনসাধাৰণে বিশ্বাস কৰি আহিছে। তদুপৰি তলাতল ঘৰটোৰপৰা দিখৌ নদী আৰু গড়গাঁৱত থকা কাৰেংঘৰলৈ পাতাল সুৰংগ থকা বুলি বহু বুৰঞ্জীবিদে দাবী কৰি অহাৰ সমান্তৰালকৈ জনসাধাৰণেও বিশ্বাস কৰি আহিছে। কিন্তু পুৰাতত্ত্ব বিভাগে তলাতল ঘৰৰ গোপন সুৰংগৰ লগতে মাটিৰ তলৰ মহলাকেইটাৰ অৱস্থিতিৰ কথা অস্বীকাৰ কৰি আহিছে। শেহতীয়াভাৱে পুৰাতত্ত্ব বিভাগৰ অধীনত কানপুৰ আই আই টিৰ বিশেষজ্ঞৰ দল এটাই তলাতল ঘৰ আৰু গড়গাঁৱৰ কাৰেংঘৰত গ্রাউণ্ড পেনিট্রেটিং ৰাডাৰ ছার্ভে চমুকৈ জি পি আৰ জৰীপ চলাই প্রাথমিক অৱস্থাত দুয়োটা ঐতিহাসিক ভৱনৰ তলত স্থাপত্যৰ অৱস্থিতিৰ তথ্য আহৰণ কৰাৰ কথা ব্যক্ত কৰিছিল। কিন্তু শেহতীয়াভাৱে ভাৰতীয় পুৰাতত্ত্ব সর্বেক্ষণৰ গুৱাহাটী মণ্ডলৰ দায়িত্বত থকা ড° মিলন কুমাৰ চৌলেই আই আই টিৰ বিশেষজ্ঞ দলটোৰ উদ্ধৃতি দি দুয়োটা ঐতিহাসিক ভৱনৰ তলত পাতাল সুৰংগ কিম্বা পাতাল মহলা নাই বুলি ব্যক্ত কৰিছিল, যাৰ বাবে একাংশ বুৰঞ্জীবিদে ব্যাপক প্রতিক্রিয়া ব্যক্ত কৰিছিল। বুৰঞ্জীবিদসকলে ৰংপুৰৰ তলাতল ঘৰ আৰু গড়গাঁৱৰ কাৰেংঘৰ সাত মহলীয়া বুলি দাবী কৰিছে। উল্লেখ্য যে ৰংপুৰৰ তলাতল ঘৰৰ মাটিৰ সমান্তৰালকৈ থকা মহলাটোৰ তিনিটা প্রান্তত থকা তিনিটা প্রৱেশ পথ বৃটিছৰ ৰাজত্ব কালত শিল, ইটা আদি জাপি সম্পূর্ণৰূপে বন্ধ কৰি দিয়া হৈছিল। বাস্তৱত এই কোঠাকেইটাত কি আছে বা এই পথকেইটাৰে ক'লৈ যাব পাৰি তাক লৈ সুদীর্ঘ দিন ধৰি জনসাধাৰণৰ মাজত কৌতূহল সৃষ্টি হৈ আহিছে। একাংশ লোকে এই বন্ধ প্রৱেশ পথকেইটাৰ এটা তলাতল ঘৰৰ তলৰ মহলালৈ যোৱাৰ পথ বুলি দাবী কৰি আহিছে। আনকি বুৰঞ্জীবিদ ভুবন চন্দ্র সন্দিকৈয়েও তেওঁৰ জীৱনকালত বহু লোকক তলাতল ঘৰৰ তলৰ মহলালৈ যাব পৰা পথটো দেখুৱাই গৈছিল। তলাতল ঘৰৰ পাছফালৰ পূব আৰু উত্তৰ দিশৰ মাজত অৱস্থিত এটা ক্ষুদ্রাকৃতিৰ গোপন কোঠা বৃটিছৰ দিনত বন্ধ কৰি দিয়া হৈছিল। স্থানীয় একাংশ লোকৰ মতে উক্ত পথটোৰেদি তলাতল ঘৰৰ তলৰ মহলাৰ এটা কোঠালৈ যোৱাৰ পথ আছিল। কিন্তু বৃটিছৰ ৰাজত্ব কালত বন্ধ কৰি দিয়া এই পথটো মুকলি কৰাৰ বাবে পুৰাতত্ত্ব বিভাগে কোনো দিনাই প্রচেষ্টা নচলালে। স্থানীয় জনসাধাৰণৰ লগতে বুৰঞ্জীবিদ আৰু কেইবাটাও সংগঠনে বৃটিছৰ ৰাজত্ব কালত বন্ধ কৰি দিয়া তলাতল ঘৰৰ তিনিটা প্রৱেশ পথ পুনৰ মুকলি কৰাৰ বাবে সুদীর্ঘ দিন দাবী জনাই আহিছিল। যোৱা ২৪ এপ্রিলত শিৱসাগৰলৈ অহা ভাৰতীয় পুৰাতত্ত্ব সর্বেক্ষণৰ গুৱাহাটী মণ্ডলৰ দায়িত্বত থকা অধীক্ষক ড° মিলন কুমাৰ চৌলেই ঐতিহাসিক তলাতল ঘৰ পৰিদর্শন কৰি সুদীর্ঘ দিনধৰি বন্ধ হৈ থকা এটা কোঠাৰ প্রৱেশ পথ মুকলি কৰাৰ বাবে নির্দেশ দিয়ে। সেইমর্মে কালিৰেপৰা তলাতল ঘৰৰ এই বন্ধ পথটো মুকলি কৰাৰ বাবে একাংশ শ্রমিকে কাম আৰম্ভ কৰিছে। কিন্তু এই প্রৱেশ পথটো মুকলি কৰাৰ বাবে শ্রমিকসকলক কেইবাটাও দিন প্রয়োজন হ'ব, যিহেতু সুদীর্ঘ দিন ধৰি বন্ধ হৈ থকাৰ বাবে তলাতল ঘৰৰ এই কোঠাটোৰ ভিতৰ ভাগত পানী সোমাই পকী বেৰসমূহ নষ্ট কৰি পেলায়। আনকি পকী বেৰৰ লগতে ওপৰৰ ছাতৰ ইটা পর্যন্ত খহি পৰি কোঠাটো সম্পূর্ণৰূপে বন্ধ কৰি পেলায়। আনহাতে, প্রবেশ পথটো অন্যন্ত চাপৰ হোৱাৰ বাবেও শ্রমিকসকলে পথ মুকলি কৰাৰ ক্ষেত্রত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰিছে। কিন্তু পুৰাতত্ত্ব বিভাগে তলাতল ঘৰৰ পাছফালৰ উত্তৰ আৰু পূর্ব দিশৰ মাজৰ বন্ধ হৈ থকা গোপন পথটোৰ লগতে মাজত থকা আন এটা গোপন পথ মুকলি কৰাৰ বাবে বর্তমানো কোনো ধৰণৰ প্রচেষ্টা চলোৱা নাই। অৱশ্যে পুৰাতত্ত্ব বিভাগৰ বিষয়া ড° মিলন কুমাৰ চৌলেই তলাতল ঘৰৰ উদ্‌ঘাটন নোহোৱা তথ্য আহৰণৰ বাবে সকলো ধৰণৰ প্রচেষ্টা চলোৱা হ'ব বুলি ব্যক্ত কৰিছে। ইফালে তলাতল ঘৰৰ আবদ্ধ হৈ থকা এটা কোঠাৰ প্রৱেশ পথ মুকলি কৰাৰ বাবে পুৰাতত্ত্ব বিভাগে চলোৱা খনন কার্যক লৈ সকলো শ্রেণীৰ লোক উৎসাহী হৈ পৰিছে। এই খনন কার্যই আহোম ৰাজত্ব কালৰ অনাৱিষ্কৃত তথ্য আহৰণ কৰিব পাৰকেই বা নোৱাৰকেই, ইতিপূর্বে ধ্বংসৰ মুখলৈ গতি কৰা তলাতল ঘৰৰ উক্ত কোঠাতো মেৰামতি কৰি তলাতল ঘৰৰ আয়ুস যে বৃদ্ধি কৰিব পৰা যাব তাত কোনো সন্দেহ নাই।

O/O- THE SUPERINTENDING ARCHAEOLOGIST
ARCHAEOLOGICAL SURVEY OF INDIA
GUWAHATI CIRCLE, GNB ROAD, AMBARI
GUWAHATI-01